অধ্যায় ৯ ঃ পাশ্চাত্য সমালোচনাৰ সাধাৰণ পৰিচয়

অধ্যায় গাঁথনি

9.1 উদ্দেশ্য
9.2 পৰিচয়
9.3 পাশ্চাত্য সমালোচনাৰ চমু আভাস
  9.3.1 ধ্ৰুৱবাদ
  9.3.2 ৰমন্যাসবাদ
  9.3.3 আধুনিকতাবাদ
9.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
9.5 অধিক জানিবলৈ
9.6 অগ্ৰগতিৰ খতিয়ান
9.7 আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- পাশ্চাত্যত সমালোচনা কেতিয়াৰ পৰা আৰম্ভ হৈছিল সেই বিষয়ে অৱগত হ'ব
- ধ্ৰুৱবাদ মানে কি আৰু তাৰ বিশেষত্ব সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিব
- ৰমন্যাসবাদ মানে কি আৰু ৰমন্যাসবাদ কেতিয়া আৰম্ভ হৈছিল সেই বিষয়ে অৱগত হোৱাৰ লগতে ইয়াৰ প্ৰধান বৈশিষ্ট্যসমূহ জানিব
- আধুনিকতাবাদ মানে কি, আধুনিকতাবাদ সৃষ্টিৰ পটভূমি সম্পৰ্কে ধাৰণা লাভ কৰাৰ লগতে ইয়াৰ প্ৰধান বৈশিষ্ট্যসমূহৰ বিষয়ে জ্ঞাত হ'ব।

৯.২ পৰিচয়

এইটো 'সাহিত্য সমালোচনা— প্ৰাচ্য আৰু পাশ্চাত্য' শীৰ্ষক পাঠ্যবিষয়টিৰ নৱম অধ্যায় আৰু পাঠ্যবিষয়ৰ দ্বিতীয় খণ্ডৰ প্ৰাৰম্ভিক অধ্যায়। এই পাঠ্যবিষয়ৰ প্ৰথমটো খণ্ডত আপুনি প্ৰাচ্য তাত্ত্বিকসকলে সাহিত্য আলোচনাৰ বাবে কি কি বাদৰ সৃষ্টি কৰিছিল আৰু তাৰে কেইটামান নিৰ্বাচিত মতবাদ তথা কেইটিমান বিশেষ উপাদনৰ বিষয়ে বিস্তৃতভাৱে অধ্যয়ন কৰিলে। এইটো অধ্যায়ত পাশ্চাত্যৰ সমালোচনা সাহিত্যৰ চমু ইতিহাস দাঙি ধৰা হ'ব।

মন কৰিবলগীয়া যে সাহিত্য সমালোচনাত বিভিন্ন সময়ত সৃষ্টি হোৱা বাদ-বৈচিত্ৰ্য-সমূহেও প্ৰভাৱ বিস্তাৰ কৰে। তাৰে তিনিটা বিশেষ মতবাদ — ধ্ৰুৱবাদ, ৰমন্যাসবাদ আৰু

ৰূপ দান কৰে। ষোড়শ শতিকাত ইটালীৰ ৰিকোবোন(Riecobono)-এ ঘোষণা কৰিলে যে সৌন্দর্যই সাহিত্যৰ একমাত্ৰ উদ্দেশ্য আৰু ইয়াৰ ফলশ্ৰুতিত সমগ্ৰ ইটালীত ধ্ৰুপদী সাহিত্যতত্ত্বৰ আলোচনা আৰম্ভ হয়। সমসাময়িকভাৱে ইংৰাজী সাহিত্যত ছাৰ ফিলিপ চিডনীয়ে *Apologie for Poetrie* গ্ৰন্থত এৰিষ্টটলৰ অনুকৰণ তত্ত্বৰ নতুন ব্যাখ্যা দাঙি ধৰি সমালোচনা সাহিত্যক নতুন মাত্ৰা প্ৰদান কৰে। তেওঁৰ মতে কবিয়ে অনুকৰণ নকৰে, সৃষ্টিহে কৰে; পাঠকেহে কবিৰ সৃষ্টিক অনুকৰণ কৰে। তেওঁৰ পৰৱৰ্তী সাহিত্যতত্ত্বকাৰ ড্ৰাইডেনে তেওঁৰ *The State of Innocence* গ্ৰন্থৰ পাতনিত পোনপ্ৰথমবাৰৰ বাবে 'Criticism' শব্দটো ব্যৱহাৰ কৰে। তেওঁ লিখিছিল— "Criticism as it was first instituted by Aristotle, was meant a standard of judging well." মন কৰিবলগীয়া, ড্ৰাইডেনে সাহিত্য সমালোচনাৰ ক্ষেত্ৰত গ্ৰীক-ৰোমান ধ্ৰুপদী আৰ্হি পৰিত্যাগ কৰি সাহিত্যৰ স্বাভাৱিক বিকাশত গুৰুত্ব প্ৰদান কৰে তুলনামূলক বিচাৰ পদ্ধতিৰ শুভাৰম্ভ কৰে। পৰৱৰ্তী সময়ত আলেকজেণ্ডা পোপৰ *Essay on Crticism* গ্ৰন্থই এই শব্দটোক ইংৰাজী সাহিত্যত দৃঢ়ভাৱে প্ৰতিষ্ঠিত কৰে।



জানি থোৱা ভাল

ড্ৰাইডেনক "Father of English Criticiam" বুলি অভিহিত কৰা হয়। ডক্টৰ জনচনে তেওঁক এই অভিধা প্ৰদান কৰিছিল।

অষ্টাদশ শতিকাত নব্য দৃষ্টিভংগীৰে ধ্ৰুপদী সাহিত্যৰ সমালোচনা দাঙি ধৰি সমালোচনা সাহিত্যৰ দিশলৈ উল্লেখযোগ্য অৱদান আগবঢ়ায় এডিচন, ডক্তৰ জনচন আদি সমালোচকে। তাৰ পৰৱৰ্তী শতিকা মানে ঊনবিংশ শতিকাত আৰম্ভ হয় ৰোমাণ্টিক আন্দোলন। নব্য ধ্ৰুপদী ভংগীৰ বান্ধোনক অস্বীকাৰ কৰি কবি-সাহিত্যিকসকলে ৰোমাণ্টিকতাৰ পথত ভৰি দিলে। ৱৰ্ডছৱৰ্থ আৰু ক'লৰিজৰ কাব্য সংকলন *Lyrical Ballads* (1798)ত সংযোজিত ভূমিকাই কাব্য বিচাৰ তথা সাহিত্য বিচাৰৰ ক্ষেত্ৰখনত নতুন দৃষ্টিভংগীৰ সন্ধান দিলে। তাৰ পৰৱৰ্তী সময়ত কীটচে Negative Capability-ৰ ধাৰণাৰে ইংৰাজী সমালোচনা সাহিত্যলৈ এক মূল্যবান অৱদান আগবঢ়ালে। এই সময়তে সমালোচক হেজলিটে কবিতা আৰু নাটক সম্পৰ্কে বিশেষ ধৰণৰ আলোচনাৰ সূত্ৰপাত কৰে। সমালোচনাৰ শিক্ষাগত দিশতকৈ নান্দনিক দিশৰ প্ৰতিহে হেজলিট আকৰ্ষিত আছিল। তাৰ পৰৱৰ্তী সময়ত ৰাষ্ট্ৰীয় আৰু সমাজ চেতনাই লাহে লাহে সাহিত্য আলোচনাত প্ৰস্তাৰ বিস্তাৰ কৰিবলৈ ধৰিলে। আবির্ভাৰ ঘটিল এদল নীতিবাগীশ সমালোচকৰ, তাৰে ভিতৰত উল্লেখযোগ্য হ'ল — মেকলে, কার্লাইল, মেথিউ আর্নল্ড, মিল আৰু ৰাছকিন। তদানীন্তন সময়ত কলা-কৈৱল্যবাদী সমালোচক হিচাপে ছাৰ ৱাল্টাৰ পেটাৰে সাহিত্যৰ আংগিকক গুৰুত্ব দি এক নতুন সমালোচনাৰ ধাৰা আৰম্ভ কৰে। ফ্ৰান্সত সূত্ৰপাত হোৱা এই আন্দোলনৰ কেইগৰাকীমান প্ৰবক্তা হ'ল— গটিয়ে, বডোলেয়াৰ, ফ্লবেয়াৰ আদি।

বিংশ শতিকাৰ দ্বিতীয় দশকৰ পৰা ইংৰাজী সাহিত্যত নতুন সমালোচনাৰ আৰির্ভাৰ

ব্যৱহাৰ কৰা হৈছিল। সেই শ্ৰেণীৰ সাহিত্যৰ "ভাবৰ গাম্ভীৰ্য, আদৰ্শৰ উচ্চতা, বিষয়ৰ গভীৰতা আৰু ৰচনা-ৰীতিৰ নৈৰ্ব্যক্তিক বিশিষ্টতালৈ লক্ষ্য কৰি" পৰৱৰ্তী সময়ত ধ্ৰুপদী সাহিত্য হিচাপে গণ্য কৰা হৈছিল। তাৰ ফলস্বৰূপে এই শ্ৰেণী সাহিত্যৰ বিশিষ্টতাখিনিকে উচ্চ বৰ্গৰ সাহিত্যৰ গুণগত তথা ৰূপগত মান নিৰ্ধাৰণৰ আধাৰ হিচাপে গ্ৰহণ কৰাৰ এক তাত্ত্বিক ভেটিও স্থাপন হয়। সাহিত্যৰ গুণগত আৰু ৰূপগত মান নিৰূপণৰ বাবে গ্ৰহণ কৰা এই তাত্ত্বিক মতবাদেই 'ক্লাছিচিজম্' বা 'ধ্ৰুৱবাদ' আৰু তেনে মান ৰক্ষা কৰি ৰচনা কৰা সাহিত্যকৰ্মই 'ধ্ৰুপদী সাহিত্য' বা 'ক্লাছিকেল সাহিত্য'। প্ৰসংগক্ৰমে উল্লেখ কৰি যাওঁ যে আমাৰ দেশত ৰচিত হোৱা প্ৰাচীন ভাৰতীয় কাব্য, মহাকাব্য, নাটক, পুৰাণসমূহকো আমাৰ দেশৰ ধ্ৰুপদী সাহিত্য হিচাপে গ্ৰহণ কৰা হয়।



জানি থোৱা ভাল

'ধ্ৰুৱ' শব্দটো ধ্ৰুৱ নক্ষত্ৰৰ পৰা লোৱা হৈছে। ধ্ৰুৱ তৰাক স্থিৰ আৰু অচঞ্চল বুলি ধৰা হয়। সাহিত্যৰ যি তত্ত্বই এনে স্থিৰ, অচঞ্চল সাহিত্যৰ পৰিচয় প্ৰদান কৰে, সেয়ে ধ্ৰুৱবাদ; তেনে সাহিত্যই ধ্ৰুৱবাদী বা ধ্ৰুৱপদী বা ধ্ৰুপদী সাহিত্য। আনকি গীতৰো যিটো স্থায়ী অংশ তাক 'ধ্ৰুপদ' বোলা হয়। (শইকীয়া, 2003, পৃ. 7)

মন কৰিবলগীয়া যে 16–17 শতিকাৰ ইউৰোপৰ নৱজাগৰণৰ সময়ৰ পৰাহে এই 'ক্লাছিকেল' শব্দটো ব্যৱহৃত হ'বলৈ ধৰে। প্ৰধানতঃ সেই সময়ত ৰচিত সাহিত্যৰাজিৰ পৰা যে প্ৰাচীন গ্ৰীক-ৰোমান সাহিত্য পৃথক আছিল তথা মানৰ ক্ষেত্ৰত উন্নত আছিল সেই ধাৰণা প্ৰদান কৰিবলৈকে এই পৰিভাষাটোৰ ব্যৱহাৰ আৰম্ভ হয়। এই শ্ৰেণীৰ সাহিত্যৰ কেইটামান উল্লেখযোগ্য বৈশিষ্ট্য হ'ল —

- বাহ্যিক অংগসজ্জাৰ প্ৰতি অতিৰিক্ত গুৰুত্ব প্ৰদান। মূলতঃ ধৰাবন্ধা নীতি-নিয়মৰ প্ৰতি অতিশয় আনুগত্যশীল। শব্দ, অলংকাৰ, কবিপ্ৰসিদ্ধি আদিৰ প্ৰয়োগ তথা গঠনৰ ক্ষেত্ৰত নীতি-নিয়মৰ প্ৰতি আনুগত্য প্ৰকাশ।
- সুশৃংখলিত বস্তুনিষ্ঠ প্ৰকাশভংগী, দৃষ্টিভংগীৰ সংযমতা, উৎসুক্যবিহীনতা ইয়াৰ প্ৰধান লক্ষণ। আনকি আৱেগো প্ৰকাশিত হয় "নিয়ন্ত্ৰিত চিৰায়ত মানৱীয় আৱেগৰ ৰূপত"। এক কথাত ক'ব পাৰি কাব্যৰূপৰ শুদ্ধতা, মাৰ্জিত আৰু মসৃন প্ৰকাশত গুৰুত্ব প্ৰদান কৰা হয়।
- বিষয়বস্তুৰ যুক্তি নিৰ্ভৰতা আৰু বিষয়ৰ নিখুঁত বৰ্ণনাৰ সূক্ষ্ম বিস্তাৰ দেখা পোৱা যায়।
- নৈতিকতা আৰু আচাৰ-ৰীতি আদিয়েই আছিল এই যুগটোৰ সাহিত্যৰ মুখ্য প্ৰতিপাদ্য বিষয়।

ইংৰাজী 'ৰোমাণ্টিছিজম্' শব্দটিৰ প্ৰতিশব্দ হিচাপে অসমীয়াত 'ৰমন্যাসবাদ' শব্দটি ব্যৱহাৰ কৰা হয়। অষ্টাদশ শতিকাৰ শেষ দশক আৰু ঊনবিংশ শতিকাৰ আদি কালত ইংলেণ্ডৰ কবিকুলে পূৰ্বৱৰ্তী কৃত্ৰিম ধ্ৰুপদী ৰীতিৰ আত্মাম্ভৰিতা আৰু কঠোৰ অনুশাসনৰ পৰা পৰিত্ৰাণ বিচাৰি বিদ্ৰোহ আৰম্ভ কৰে। এই বিদ্ৰোহৰ ফলশ্ৰুতিত যি নতুন কাব্য আন্দোলনে প্ৰাণ পালে সেই আন্দোলনকে ইংৰাজী সাহিত্যৰ বুৰঞ্জীত 'ৰোমাণ্টিক আন্দোলন' হিচাপে অভিহিত কৰা হয়। ইউৰোপীয় সাহিত্যজগত আলোকিত কৰা এই নব্য কাব্যধাৰাটি পৰৱৰ্তী সময়ত বিশ্বৰ বিভিন্ন সাহিত্যলৈ বিয়পি পৰে। কাব্য সাহিত্যৰ লগতে এই পৰিৱৰ্তন বুৰঞ্জী, দৰ্শন, ৰূপকথা আদি সাহিত্যৰ বিভিন্ন শাখালৈকে বিস্তৃতি লাভ কৰে। পূৰ্বৱৰ্তী ধ্ৰুপদী সাহিত্যৰ বন্ধন চিণ্ডি সাহিত্যজগতলৈ মুক্তিৰ বাৰ্তা কঢ়িয়াই অনা এই ৰমন্যাসিক সাহিত্যৰাজিত আবেগ-অনুভূতিৰ প্ৰাৱল্য বাৰুকৈয়ে অনুভৱ কৰা যায়।



জানি থোৱা ভাল

অসমীয়া ভাষাত পূৰ্বতে 'ৰোমাণ্টিক' শব্দটিৰ পৰিভাষা হিচাপে 'নৱন্যাস' শব্দটি ব্যৱহৃত হৈছিল। 1976 চনত মহেন্দ্ৰ বৰাই 'ৰমন্যাস' শব্দটি নিৰ্মাণ কৰি উলিয়ায়। ইয়াৰ পাছৰে পৰাই এই শব্দটি সণ্ঢালনিভাৱে ব্যৱহৃত হ'বলৈ ধৰে।

ইংৰাজী সাহিত্যৰ ইতিহাস ৰচয়িতাসকলে ইংৰাজী সাহিত্যৰ বুৰঞ্জীক বহলভাৱে মুঠ আঠটা ভাগত বিভক্ত কৰিছে। যথা— এংলো ছেক্সন আৰু এংলো নৰ্মান, ছচাৰোত্তৰ, এলিজাবেথীয়, সপ্তদশ শতিকা, অষ্টাদশ শতিকা, ৰোমাণ্টিক, ভিক্টোৰীয়া আৰু আধুনিক যুগ। ছচাৰোত্তৰ যুগটিক ইংৰাজী সাহিত্যৰ অৱসাদৰ যুগ বুলি ঠাৱৰ কৰা হয়। ইংৰাজী সাহিত্যৰ এলিজাবেথীয় যুগৰ আৰম্ভণিৰ সময়তে ইটালী আৰু ফ্ৰান্সত নৱজাগৰণৰ সূচনা ঘটে। এই নৱজাগৰণৰ টোৰে ইংৰাজী সাহিত্যকো টোৱাই যায়। এলিজাবেথীয় যুগটি প্ৰধানতঃ দুটা ভাগত বিভক্ত —

(ক) 1550-1590 চন — প্ৰথমাৰ্ধ

(খ) 1590-1626 চন — দ্বিতীয়াৰ্ধ

1590-1626 চনলৈকে বিস্তৃত এই কালছোৱাতে ইংৰাজী সাহিত্যৰ মহীৰূহস্বৰূপ শ্বেইক্সপীয়েৰ(1564-1616)ৰ সাহিত্যৰাজিয়ে সকলোকে আপ্লুত কৰিছিল। সেই বাবে এই ছোৱা কালক 'শ্বেইক্সপীয়েৰৰ যুগ' বুলিও অভিহিত কৰা হয়। এই যুগতেই শ্বেইক্সপীয়েৰৰ হাতত ইংৰাজী সাহিত্যলৈ এক নব্য ভাবধাৰাৰ আগমন ঘটে, এক জাগৰণৰ সৃষ্টি হয়। পূৰ্বতে 1590-1626 চনৰ এই সময়সীমাকে 'ৰোমাণ্টিক যুগ' বুলি চিহ্নিত কৰা হৈছিল। ঊনবিংশ শতিকাৰ আদি আৰু অষ্টাদশ শতিকাৰ শেষৰ

বিপ্লৱ'ৰ সাম্য, মৈত্ৰী আৰু স্বাধীনতাৰ ধাৰণা আদিয়ে সাহিত্যিকসকলৰ চিন্তাৰ জগতখনত এক বৈপ্লৱিক আলোড়নৰ সৃষ্টি কৰে। এইবোৰ ধাৰণাৰে সেইসময়ৰ সাহিত্যিকসকলে পৰম্পৰাগত চিন্তাৰ বন্ধন, সামাজিক বন্ধনৰ পৰা মুক্ত হৈ, ব্যক্তি স্বতন্ত্ৰতা সম্পৰ্কে সজাগ হৈ এক নব্য বৌদ্ধিক পৰিমণ্ডল সৃষ্টি কৰে। ফলশ্ৰুতিত সাহিত্যৰ মাজত প্ৰতিভাত হ'ল সৰ্বসাধাৰণৰ সুখ-দুখ, আবেগ-অনুভূতি তথা সীমাহীন কল্পনা।

1789 চনত ইংৰাজ কবি 'ক'লৰিজ' আৰু 'ৱৰ্ডছৱৰ্থ'ৰ যুটীয়া সম্পাদনাৰে প্ৰকাশিত হয় *লিৰিকেল বেলাড্‌চ্*। এইখন কাব্যপুথিৰ জৰিয়তে ইংৰাজী সাহিত্যত ৰোমাণ্টিক আন্দোলনৰ সূচনা ঘটে। অষ্টাদশ শতিকাৰ প্ৰাণহীন সাহিত্যৰ বিপৰীতে এইখন কাব্যপুথিত ধ্বনিত হৈছে মানৱমুক্তিৰ জয়গান। উল্লেখযোগ্য যে ইয়াৰ পূৰ্বেও টমচন, কুপাৰ, গ্ৰে, কলিন্স, ব্লেক প্ৰভৃতি ইংৰাজ কবিৰ কাব্য ৰচনাত ৰোমাণ্টিক সাহিত্যৰ একাধিক লক্ষণে ভুমুকি মাৰিছিল। কিন্তু *লিৰিকেল বেলাডচ*-ৰ মাজত বিবিধ বৈচিত্ৰ্য আৰু লক্ষণেৰে মণ্ডিত হৈ ৰোমাণ্টিক কবিতাই কাব্যাকাশত জিলিকি উঠিল। *লিৰিকেল বেলাডচ*-ৰ পাতনিতে ইংৰাজ কবি ৱৰ্ডচৱৰ্থে মন্তব্য কৰিছে যে কবিতাৰ ভাষা হ'ব লাগে সৰ্বসাধাৰণ ৰাইজৰ মুখৰ ভাষা। ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্যসমূহৰ ভিতৰত এইটো এটা উল্লেখযোগ্য বৈশিষ্ট্য। সামগ্ৰিকভাৱে ৰমন্যাসবাদৰ কেইটামান উল্লেখযোগ্য বৈশিষ্ট্য এনেদৰে লিপিবদ্ধ কৰিব পাৰি—

- ৰমন্যাসবাদী সাহিত্যৰ প্ৰকাশভংগী হৈ পৰিল ব্যক্তিধৰ্মী বা মন্ময়ধৰ্মী। তাৰ ফালত যুক্তিৰ ঠাইত ঠাই পালে ভাবাবেগে আৰু কল্পনাৰ মুক্ত প্ৰকাশ ঘটিল।
- এই শ্ৰেণীৰ সাহিত্যত বিশ্বজগতৰ প্ৰতি বিস্ময় বিমুগ্ধ দৃষ্টি নিক্ষেপ কৰা দেখিবলৈ পোৱা যায়।
- 'মধ্যযুগ-প্ৰীতি' বা অতীত প্ৰীতিয়ে ৰমন্যাসবাদৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য।
- ৰমন্যাসিক সাহিত্যত অন্তঃসলিলা ফল্গুৰ দৰে বৈ থাকে এক কাৰুণ্য।
- প্ৰকৃতিয়ে ৰমন্যাসিক সাহিত্যিকসকলৰ কল্পনাত এক বিশেষ স্থান লাভ কৰিছে। তাৰ লগতে 'মানৱতাৰ জয়গান' আৰু 'চহা জীৱনে'ও বিষয়বস্তু হিচাপে ধৰা দিলে।
- পূৰ্বৰ ধ্ৰুপদী ৰীতিৰ ধৰা বন্ধা ভাষাৰ ঠাইত স্থান ল'লে চহা জীৱনৰ সহজ-সৰল ভাষাই।
- ঠিক সেইদৰে ছন্দসজ্জাৰ দিশতো বিষয়বস্তু অনুসৰি বিভিন্ন ছন্দৰ সৃষ্টি কৰিলে। অমিত্ৰাক্ষৰ ছন্দ পুনৰ ব্যৱহৃত হ'ল।

'ৰোমাণ্টিছিজম্' বা 'ৰমন্যাসবাদ'ক কোনো এক নিদিষ্ট সংজ্ঞাৰে সংজ্ঞাবদ্ধ কৰিব নোৱাৰি। বিভিন্ন সময়ত সাহিত্যৰ সমালোচকসকলে 'ৰোমাণ্টিছিজম্' সম্পৰ্কে নিজস্ব মতামত দাঙি ধৰি সংজ্ঞা নিৰূপণ কৰিবলৈ যত্ন কৰিছে। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য কেইটিমান হ'ল—

- কল্পনা-প্ৰৱণতাৰ অসাধাৰণ বিকাশেই ৰোমাণ্টিছিজম্ বা ৰমন্যাসবাদ — *হাৱফোৰ্ড*

লগত জড়িত হৈ আছে। এই জীৱনবোধৰ লগত সম্পৃক্ত হৈ আছে সমকালীন সমাজৰ সামাজিক আৰু বৌদ্ধিক পটভূমি।

সমগ্ৰ বিশ্বতে বিংশ শতিকাৰ প্ৰাৰম্ভিক কালছোৱা আছিল আৰ্থ-সামাজিক-ৰাজনৈতিকভাৱে যন্ত্ৰণাজৰ্জৰ। ফ্ৰান্সৰ বুৰ্জোৱা, ইংলেণ্ডৰ ভিক্টোৰিয়া, আমেৰিকাৰ শুদ্ধাচাৰিতা (Puritanism) আৰু বস্তুবাদৰ প্ৰতি বিদ্ৰোহৰ যোগেদি আধুনিকতাবাদী আন্দোলনে সমসাময়িক সমাজ তথা বৌদ্ধিক পৰিৱেশৰ বুকুত জন্ম লাভ কৰে। প্ৰথম মহাসমৰৰ আৰু অৰ্থনৈতিক দুৰ্যোগে এই সময়ছোৱাত ইউৰোপৰ সমাজ জীৱন অৱক্ষয়গ্ৰস্থ কৰি তুলিছিল। শ্ৰমিক শ্ৰেণীৰ মাজত জন্ম হৈছিল প্ৰত্যাহ্বান আৰু ইয়াৰ ভেটিতে সৃষ্টি হৈছিল নব্য সামজিক আন্দোলন। সামাজিকভাৱে পিছপৰা শ্ৰেণীবোৰে সংগ্ৰামৰ যোগেদি আত্মঅধিকাৰ প্ৰতিষ্ঠাৰ বাবে সংকল্পবদ্ধ হৈছিল। এই সময়ছোৱাতে নাৰীবাদী আন্দোলনৰ সূত্ৰপাত হৈছিল। মন কৰিবলগীয়া যে প্ৰথম মহাসমৰেই মানুহৰ মনত ধৰ্মীয় বিশ্বাসৰ ভেটি থৰক-বৰক কৰি তুলিছিল। ঠিক সেইদৰে দ্বিতীয় মহাসমৰে জীৱনৰ অৰ্থহীনতা আৰু মানুহৰ একাকীত্বক অতি প্ৰৱল কৰি তুলিলে। তদানীন্তন সময়ত নীৎসে ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কে প্ৰশ্ন তুলি ঘোষণা কৰিলে যে— ঈশ্বৰৰ মৃত্যু হ'ল। ফ্ৰয়দে সপোনৰ লগতে মানুহৰ যৌন বাসনা সম্পৰ্কে নব্য দৃষ্টিৰে আলোকপাত কৰিলে। তেওঁ পিতৃৰ প্ৰতি পুত্ৰীৰ, মাতৃৰ প্ৰতি পুত্ৰৰ স্নেহৰ মাজত মানৱ মনৰ অৱদমিত যৌন বাসনাৰ আৱিষ্কাৰ কৰিলে। এনেদৰে মনোবৈজ্ঞানিকসকলে নতুন নতুন তত্ত্বৰে মানৱ মনক নতুনকৈ বিশ্লেষণ কৰিবলৈ ধৰিলে। মাৰ্ক্সৰ দ্বন্দ্বাত্মক বস্তুবাদ, কাণ্ট-হেগেলৰ দৰ্শন আদিয়ে ৰোমাণ্টিক যুগৰ ধ্যান-ধাৰণা, বিশ্বাস, সংশয়, সংস্কাৰ, মূল্যবোধ, দৃষ্টিভংগীৰ সামৰণি মাৰিলে। তাৰ লগতে বিজ্ঞানৰ ন-ন অৱিষ্কাক; বিশেষভাৱে ডা�ৰউইনৰ জৈৱ ক্ৰমবিৱৰ্তনৰ সূত্ৰ, আইনষ্টাইনৰ আপেক্ষিকতাবাদ (Theory of Relativity), চা�ৰপ্লাঙকৰ শক্তিকণাতত্ত্ব (Quantam Theory) আৰু হাইজেনবাৰ্গৰ অনিশ্চিয়তা তত্ত্ব (Uncertainty Principle) ইত্যাদিয়েও নতুন চিন্তাৰ বাট মুকলি কৰিলে। প্ৰসংগক্ৰমে ভাৰ্জিনিয়া উলফে্ কৰা মন্তব্যটো উল্লেখ কৰিব পাৰি— "1910 চনৰ ডিচেম্বৰৰ আগে-পিছে মানৱ-প্ৰকৃতিৰ পৰিৱৰ্তন সাধিত হয়।" এই বক্তব্যটো অতিশয়োক্তি যদিও তাৰ মাজতে এটা কথা স্পষ্ট ৰূপে ফুটি উঠিছে যে সমকালীন ইউৰোপৰ মানৱ-প্ৰকৃতি পূৰ্বতকৈ পৃথক হৈ পৰিল আৰু সাহিত্যৰ ক্ষেত্ৰখনত নতুন যুগৰ আৰম্ভ হ'ল।

এই আলোচনাৰ পৰা এটা কথা স্পষ্ট হ'ল যে আধুনিকতাবাদী আন্দোলনৰ কালছোৱা আছিল সামাজিক, ৰাজনৈতিক তথা অৰ্থনৈতিক সংঘাতৰ কাল; কিন্তু সাহিত্যিক দিশৰ পৰা ই এটা অতি সৃষ্টিশীল যুগ। বিভিন্নজন প্ৰতিভাধৰ লেখকৰ হাতত এই আন্দোলনে পৰিপূৰ্ণতা লাভ কৰে। আধুনিকতাবাদী সাহিত্যৰ বিষয় বৈচিত্ৰ্যপূৰ্ণ। ইয়াত প্ৰকাশ পোৱা বিষয়বোৰ হ'ল —

আন্দোলন।" আধুনিকতাবাদী সাহিত্যৰ সমালোচনাত্মক বিচাৰ কৰিবলৈ হ'লে আমাৰ আধুনিকতাবাদৰ বিষয়ে সম্যক ধাৰণা থকাটো অতীব প্ৰয়োজনীয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ 'আধুনিক' আৰু 'আধুনিকতাবাদ' শব্দ দুটা সমাৰ্থক নেকি ? যুক্তি আগবঢ়াওক। (45 টা শব্দৰ ভিতৰত লিখক।)

.....

.....

.....

.....



৯.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্ৰাচ্যৰ দৰে পাশ্চাত্যটো অতি প্ৰাচীন কালৰে পৰাই সমালোচনা সাহিত্যৰ প্ৰচলন আছিল। অতি প্ৰাচীন কালতে গ্ৰীক দাৰ্শনিক-কবিসকলে সমালোচনা সাহিত্যৰ শুভাৰম্ভ কৰিছিল যদিও তেতিয়া 'সমালোচনা' বা 'Criticism' শব্দটো ব্যৱহাৰ কৰা হোৱা নাছিল। গ্ৰীক দাৰ্শনিক প্লেটো বা তেওঁৰ পূৰ্ববৰ্তী হোমাৰ, পিণ্ডাৰ, হেৰাক্লিটাচ, চক্ৰেটিচ আদিৰ ৰচনাৰ মাজতো সমালোচনা সাহিত্যৰ বীজ লুকাই থকা দেখা যায়। তাৰ পাছৰে পৰাই বিভিন্ন সময়ত ভিন ভিন আলোচকৰ হাতত পাশ্চাত্য সমালোচনাই নতুন নতুন ৰূপ লাভ কৰিছে। এই বিষয়ে অধ্যায়টোত চমুকৈ আলোচনা দাঙি ধৰা হ'ল।
- ইংৰাজী 'ক্লাছিচিজম্' শব্দৰ অসমীয়া পৰিভাষা হিচাপে 'ধ্ৰুৱবাদ' অভিধাটো ব্যৱহাৰ কৰা হয়। মূলতঃ প্ৰাচীন গ্ৰীক আৰু ৰোমান সাহিত্য বুজাবলৈকে এই শব্দটো ব্যৱহাৰ কৰা হৈছিল। সেই শ্ৰেণীৰ সাহিত্যৰ "ভাবৰ গাম্ভীৰ্য, আদৰ্শৰ উচ্চতা, বিষয়ৰ গভীৰতা আৰু ৰচনা-ৰীতিৰ নৈৰ্ব্যক্তিক বিশিষ্টতালৈ লক্ষ্য কৰি" পৰৱৰ্তী সময়ত ধ্ৰুপদী সাহিত্য হিচাপে গণ্য কৰা হৈছিল। মন কৰিবলগীয়া যে 'ক্লাছিকেল' শব্দটো যে কেৱল সাহিত্যৰ ক্ষেত্ৰতে ব্যৱহৃত হৈছিল তেনে নহয়; শিল্পকলাৰ বিভিন্ন ৰূপৰ বিশ্লেষণৰ ক্ষেত্ৰটো ইয়াৰ প্ৰয়োগ হোৱা দেখা যায়। ইয়াৰ বিশেষত্বসমূহৰ বিষয়েও অধ্যায়টোত আলোচনা কৰা হ'ল।
- অষ্টাদশ শতিকাৰ শেষ দশক আৰু ঊনবিংশ শতিকাৰ আদি কালত ইংলেণ্ডৰ কবিকুলে পূৰ্ববৰ্তী কৃত্ৰিম ধ্ৰুপদী ৰীতিৰ আত্মাম্ভৰিতা আৰু কঠোৰ অনুশাসনৰ পৰা পৰিত্ৰাণ বিচাৰি বিদ্ৰোহ আৰম্ভ কৰে। এই বিদ্ৰোহৰ ফলশ্ৰুতিত যি নতুন কাব্য আন্দোলনে প্ৰাণ পালে সেই

11) Selden, R. (1985). *Contemporary Literary Theory*. Sussex: Havester Press.

৯.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সপ্তদশ শতিকাৰ সাহিত্যতত্ত্বকাৰ ড্রাইডেনে তেওঁৰ *The State of Innocence* গ্রন্থৰ পাতনিত পোনপ্রথমবাৰৰ বাবে 'Criticism' শব্দটো ব্যৱহাৰ কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ এৰিষ্টটলৰ *Poetics* গ্রন্থখনক পাশ্চাত্য সমালোচনা সাহিত্যৰ আদি গ্রন্থ বুলি কোৱা হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ আছে।

৪ নং প্রশ্নৰ উত্তৰ ঃ "নিঅ' ক্লাছিকিল" সাহিত্য বুলি অভিহিত কৰা হৈছিল।

৫ নং প্রশ্নৰ উত্তৰ ঃ 'ৰোমাণ্টিক' শব্দটি নিষ্পন্ন হৈছে — 'ৰোমানা' শব্দৰ পৰা।

৬ নং প্রশ্নৰ উত্তৰ ঃ 1789 চনত ইংৰাজ কবি 'ক'লৰিজ' আৰু 'ৱর্ডছৱর্থ'ৰ যুটীয়া সম্পাদনাৰে প্রকাশিত হয় *লিৰিকেল বেলাড্‌চ্*।

৭ নং প্রশ্নৰ উত্তৰ ঃ 'আধুনিক' আৰু 'আধুনিকতাবাদ' পৰিভাষা দুটা সমার্থক নহয়। আধুনিক বুলিলে আমি এটা বিষয়ে প্রচলিত ধাৰা ত্যাগ কৰি নতুন ধাৰা গ্রহণ কৰা কথাটোকে বুজি পাওঁ। আনহাতে আধুনিকতাবাদ হ'ল এক প্রকাৰৰ সাহিত্যিক আন্দোলন আৰু ই বিংশ শতিকাৰ প্রাৰম্ভিক দশকৰ পৰা ষাঠিৰ দশকলৈকে ইউৰোপত সংঘটিত হৈছিল।

৯.৭ আৰ্হিপ্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক—

(ক) অনুকৰণ (Mimesis) তত্ত্ব সম্পর্কে কোনে পোন প্রথমে উল্লেখ কৰিছিল?

(খ) Negative Capability-ৰ ধাৰণা ইংৰাজী সমালোচনা সাহিত্যলৈ কোনে আমদানি কৰিছিল?

(গ) ইংৰাজী সাহিত্যত 'ৰোমাণ্টিছিজম্' শব্দটি পোনপ্রথমে কোনে ব্যৱহাৰ কৰিছিল?

(ঘ) বিংশ শতিকাত কোনে ঈশ্বৰৰ অস্তিত্ব সম্পর্কে প্রশ্ন তুলিছিল?